NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্য্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কৈছে যে, বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ ছবি আমূল পৰিৱৰ্তনৰ মাজেৰে অগ্ৰসৰ হৈছে।

৩। উত্তৰাখণ্ডৰ ৰাম নগৰত এটা সমাৰেশত ভাগ লৈ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা প্ৰিয়ংকা গান্ধীয়ে বিজেপিৰ শাসনকালত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি পাইছে বুলি মন্তব্য কৰিছে।

৪। উচ্চতম ন্যায়ালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে দাখিল কৰা আবেদন সন্দৰ্ভত সোমবাৰে শুনানী গ্ৰহণ কৰিব।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত মʼহালিত হʼবলগীয়া এখন খেলত পাঞ্জাব কিংছ্ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্য্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকসকলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ হকে দেশৰ বিভিন্ন অংশত নিৰ্বাচনী সমাৰেশ আৰু ৰʼডশ্বোত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। প্ৰথম পৰ্য্যায়ত ১৯ এপ্ৰিলত ১৭ খন ৰাজ্য আৰু চাৰিটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২ টা সংসদীয় সমষ্টিৰ সমান্তৰালভাৱে ছিকিমৰ ৩২ খন আৰু অৰুণাচল প্ৰদেশৰ ৬০ খন বিধানসভা আসনৰ বাবে ভোটগ্ৰহণ কৰা হʼব।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কৈছে যে, বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ ছবি আমূল পৰিৱৰ্তনৰ মাজেৰে অগ্ৰসৰ হৈছে। তেওঁ কয় যে, উত্তৰ পূৰ্বাঞ্চলৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী অকল এক্ট-ইষ্টতে সীমাৱদ্ধ নহয়, বৰং তেওঁ অঞ্চলটোক দক্ষিণ এছিয়া আৰু পূব এছিয়াৰ প্ৰৱেশ দ্বাৰ হিচাপে গঢ়ি তোলাৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। নাগালেণ্ডৰ চুমুকেডিমাত আজি পিপলছ্ ডেমʼক্ৰেটিক এলায়েন্সৰ প্ৰাৰ্থী ডাঃ চুম্বেন মুৰিৰ হকে প্ৰচাৰ চলাই শ্ৰীনাড্ডাই এইদৰে প্ৰকাশ কৰে। শ্ৰীনাড্ডাই কয় যে, প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজনীতিৰ সংস্কৃতি, সংজ্ঞা, শৈলী আৰু দৃষ্টিভংগী সলনি কৰিছে। তেওঁ কয় যে, কংগ্ৰেছৰ শাসনকালত উত্তৰ পূৰ্বাঞ্চল বিভাজনৰ সমস্যাৰ সন্মুখীন হৈছিল, কিন্তু বিজেপি-এন ডি পি পিৰ শাসনকালত উত্তৰ পূৰ্বাঞ্চল ডিভাইন আৰ্হিলৈ ৰূপান্তৰ হৈছে।

উত্তৰ পূৰ্বাঞ্চলত সন্ত্ৰাসবাদীৰ ঘটনা ৭১ শতাংশ হ্ৰাস পাইছে আৰু ৯ হাজাৰ ৫০০ উগ্ৰপন্থীয়ে আত্ম-সমৰ্পণ কৰিছে বুলি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, অঞ্চলটোত ১১ খন শান্তি চুক্তি সম্পন্ন হৈছে আৰু সুৰক্ষা বাহিনীৰ ওপৰত হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনা ৬০ শতাংশ হ্ৰাস পাইছে। ইয়াৰ উপৰি নাগালেণ্ড আৰু উত্তৰ পূৰ্বাঞ্চলত অসামৰিক লোকৰ ওপৰত হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনা ৮২ শতাংশ হ্ৰাস পাইছে বুলি শ্ৰীনাড্ডাই উল্লেখ কৰে। তেওঁ কয় যে, ২০১৫ চনৰ ৩ আগষ্টত বিভিন্ন নাগা ৰাজনৈতিক গোট আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত পৰিকাঠামো চুক্তি স্বাক্ষৰিত হৈছে আৰু ২০১৭ চনৰ ১৭ নবেম্বৰত সহমতৰ স্থিতি আৰু সুৰক্ষাক লৈ আলোচনা অনুষ্ঠিত হৈছে। শ্ৰীনাড্ডাই নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হ'লে এই চুক্তি আগুৱাই লৈ যোৱা হ'ব আৰু তেওঁলোকে সৰ্বাত্মক শান্তি আৰু উন্নয়নৰ হকে কাম কৰিব বুলি আশ্বাস প্ৰদান কৰে।

তেওঁ লগতে কয় যে, প্ৰধানমন্ত্ৰী মোদী আৰু মুখ্যমন্ত্ৰীসকলৰ সহযোগত উন্নয়নৰ হীৰা আৰ্হিত কাম অব্যাহত আছে। ইয়াৰ অধীনত ঘাইপথ, ইণ্টাৰনেট, ৰে'লৱে' আৰু আকাশী পথৰ উন্নয়ন কৰা হৈছে। বিৰোধী মিত্ৰজোটক পৰিয়ালকেন্দ্ৰিক ৰাজনৈতিক দলৰ জোট বুলি অভিহিত কৰি তেওঁ কয় যে, এই দলসমূহৰ নেতাসকল জে'লত নতুবা জামিনত আছে।

ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কন্যাকুমাৰীত এটা ৰ'ডশ্বোত অংশগ্ৰহণ কৰি কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তামিলনাডুৰ জনসাধাৰণৰ প্ৰতি বিশেষ আকৰ্ষণ আছে আৰু তেওঁ সংসদত ছেংগোল প্ৰতিষ্ঠা কৰি তামিলসকলক বিশেষ গুৰুত্ব প্ৰদান কৰিছে। শ্ৰীশ্বাহে লগতে ডি এম কে সনাতন ধৰ্ম আৰু অযোধ্যাৰ ৰাম মন্দিৰৰ বিৰোধী তথা দলটোৱে সংখ্যাগৰিষ্ঠৰ ভাৱনাক আঘাত কৰি আহিছে বুলি অভিযোগ তোলে। তেওঁ কয় যে, বিজেপিয়ে সমাজৰ সকলো শ্ৰেণীকে একেলগে লৈ বিকশিত ভাৰতৰ দিশে আগবাঢ়িছে। ডি এম কে-কংগ্ৰেছ কেলেংকাৰীৰ অন্য নাম বুলি শ্ৰীশ্বাহে উল্লেখ কৰে।

বিজেপিৰ আন এগৰাকী জেষ্ঠ নেতা নিৰ্মলা সীতাৰমণে আজি তঞ্জাৱুৰত প্ৰচাৰ চলায়। তেওঁ কয় যে, বিজেপি চৰকাৰে বিগত ১০ বছৰত ভালেসংখ্যক আঁচনি ৰূপায়ণ কৰিছে। ডি এম কে-কংগ্ৰেছ মিত্ৰজোটে অকল ফোঁপোলা দাবী কৰিছে বুলি শ্ৰীমতী সীতাৰমণে মন্তব্য কৰে। ইফালে, বিজেপিৰ জ্যেষ্ঠ নেতা আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কৈছে যে, বিশ্বমানৰ আন্তঃগাঁথনিৰে ভাৰত সম্প্ৰতি বিশ্ব নেতাৰূপে পৰিচিত হৈছে। মুৰাদাবাদত এখন নিৰ্বাচনী সভাত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত বিশ্বৰ বাবে বিকাশ আৰু কল্যাণৰ আৰ্হি দাঙি ধৰিবলৈ সমৰ্থ হৈছে।

ইপিনে, বহুজন সমাজ পাৰ্টীৰ মুৰব্বী মায়াৱতীয়ে আজি হৰিদ্বাৰত এখন নিৰ্বাচনী সভাত অংশ লয়। তেওঁ কয় যে, স্বাধীনতাৰ পাছত কেন্দ্ৰ আৰু অধিকাংশ ৰাজ্যত ক্ষমতাত থকা কংগ্ৰেছ দল দলিত, জনজাতি বিৰোধী তথা ভুল নীতিৰ বাবেই ক্ষমতাচ্যুত হ'বলগীয়া হৈছে।

উত্তৰাখণ্ডৰ ৰাম নগৰত এটা সমাৱেশত ভাগ লৈ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা প্ৰিয়ংকা গান্ধীয়ে কয় যে, বিজেপিৰ শাসনকালত গেছ চিলিণ্ডাৰ আৰু পেট্ৰ'ল-ডিজেলৰ দৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি পাইছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও আজি মহাৰাষ্ট্ৰৰ ভণ্ডাৰা-গোন্দিয়া সংসদীয় সমষ্টিৰ নিৰ্বাচনী সমাৱেশত অংশ লয়।

ইপিনে, তেলেংগানাত এম আই এমৰ সভাপতি আছাদ উদ্দিন ওৱেছিয়ে হায়দৰাবাদ লোকসভা সমষ্টিৰ বিভিন্ন এলেকাত ঘৰে ঘৰে গৈ প্ৰচাৰ আৰম্ভ কৰিছে। বিজেপিৰ ৰাজ্যিক সভাপতি আৰু কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীয়েও আজি চিকণ্ডৰাবাদ সমষ্টিত জীপ যাত্ৰা উলিয়ায়।

০০০০০০০

উচ্চতম ন্যায়ালয়ে সুৰা নীতি গোচৰত বিধি বলবৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰা কাৰ্য্যক প্ৰত্যাহ্বান জনাই দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে দাখিল কৰা আবেদন সন্দৰ্ভত সোমবাৰে শুনানী গ্ৰহণ কৰিব। ন্যায়াধীশ সঞ্জীৱ খান্না আৰু দীপাংকৰ দত্তাক লৈ গঠিত এখন বিচাৰপীঠে এই গোচৰৰ শুনানী ল'ব। উল্লেখযোগ্য যে, দিল্লী উচ্চ ন্যায়ালয়ে গ্ৰেপ্তাৰ কৰা কাৰ্য্যক প্ৰত্যাহ্বান জনাই আম আদমী পাৰ্টীৰ নেতাগৰাকীয়ে দাখিল কৰা আবেদনখন ৯ এপ্ৰিলত অগ্ৰাহ্য কৰিছিল। আবেদনখন অগ্ৰাহ্য কৰি দিল্লী উচ্চ ন্যায়ালয়ে কৈছিল যে, বিধি বলবৎকাৰী সঞ্চালকালয়ৰ ওচৰত মুখ্যমন্ত্ৰী কেজৰিৱালক গ্ৰেপ্তাৰ কৰাৰ বাবে পৰ্য্যাপ্ত সাক্ষ্য-প্ৰমাণ আছে। বিধি বলবৎকাৰী সঞ্চালকালয়ে ২১ মাৰ্চত দিল্লী আৰকাৰী নীতি কেলেংকাৰী সম্পৰ্কীয় ক'লা ধন বৈধকৰণৰ গোচৰত শ্ৰীকেজৰিৱালক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতে ন্যায়ালয়ে পহিলা এপ্ৰিলত মুখ্যমন্ত্ৰী কেজৰিৱালক ১৫ এপ্ৰিল পৰ্য্যন্ত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে।

০০০০০০০

অসমৰ জাতীয় উৎসৱ ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন কৰা হয়। পুৱাই গঞা ৰাইজে গো-ধনক মাহ-হালধি সানি, দীঘলতি, মাখিয়তিৰে কোবাই, নোৱাই-ধোৱাই বছৰটোলৈ শ্ৰীবৃদ্ধি কামনা কৰে। সন্ধিয়া বিহলঙনি, তুহঁ, খেৰ আদিৰে জুই জ্বলাই জাগ দি গোধনক নতুন বিছনিৰে বা দিয়াৰ লগতে তৰাৰ পঘাৰে বন্ধা হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰঙালী বিহু উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰে। যোৰহাটৰ তিতাবৰত নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকাৰ মাজতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যবাসীলৈ ৰঙালী বিহুৰ ওলগ জনায়।

কাইলৈ পৰম্পৰা অনুসৰি অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটো মানুহৰ বিহু হিচাপে পালন কৰা হ'ব। মানুহৰ বিহুৰ দিনা হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্য বাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব।

০০০০০০০

লাডাখত কাৰ্গিল বিজয় দিৱসৰ ৰূপালী জয়ন্তীৰ সোঁৱৰণত তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয় আৰু সেনা বাহিনীয়ে এটা বিশেষ অনাতাৰ কেন্দ্ৰ সফলতাৰে পৰিচালনা কৰে। যোৱা বছৰৰ ১১ এপ্ৰিলত কাৰ্গিলৰ জনসাধাৰণ আৰু ভাৰতীয় সেনাৰ সাহসিকতাক সন্মান জনোৱাৰ উদ্দেশ্যে এই পদক্ষেপ আৰম্ভ কৰা হৈছিল। কল চাইন আলফা টেংগো ২৫ কিলো ভেক্টৰ ডেলটা নামৰ এই অপেচাদাৰী অনাতাৰ কেন্দ্ৰই বিশ্বৰ ৫০ খন দেশৰ সৈতে সম্পৰ্ক স্থাপন কৰিছে। স্ম

০০০০০০০

পঞ্জাৱত আজি শিৰোমণি আকালি দলে ১৩ টা লোকসভা সমষ্টিৰ ভিতৰত ৭ টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। মূল সমিতিৰ সিদ্ধান্ত অনুসৰি দলে ৭ জনীয়া প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰা বুলি দলৰ মুখপাত্ৰই প্ৰকাশ কৰিছে। আন ৬ খন আসনৰ বাবে শীঘ্ৰেই প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হ'ব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত ম'হালিত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ্ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, দেলহি কেপিটেলছে যোৱানিশা লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০